**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

পশ্চিমবংগৰ নিউ জলপাইগুৰিত সংঘটিত ৰে'ল দুৰ্ঘটনাত অসমৰ কোনো লোক হতাহতৰ তথ্য এই পৰ্যন্ত লাভ কৰা নাই বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কৈছে যে এই দুৰ্ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ সৈতে কথা পতাৰ লগতে ৰাজ্যৰ মুখ্যসচিবগৰাকীয়ে ৰে'ল বিভাগৰ সৈতে যোগাযোগ অব্যাহত ৰাখিছে। ৰাজ্যৰ কোনো লোক দুৰ্ঘটনাটোত আহত হ'লে চিকিৎসাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰিছে। উল্লেখযোগ্য যে পশ্চিমবংগৰ ৰঙাপানী ষ্টেচনত আজি পুৱা সংঘটিত ৰে'ল দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জন লোক আহত হয়। নিউ জলপাইগুৰিৰ ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা অনুসৰি মালবাহী ৰে'লখন ছিগনেল পোৱাৰ আগেয়ে ৰাওনা হয় আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ পাছফালে খুন্দা মাৰে। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দলে যাত্ৰীসকলক উদ্ধাৰ কৰে। যাত্ৰীসকলক খাদ্য আৰু পানী যোগান ধৰি থকা হৈছে। দুৰ্ঘটনাটোত ৰে'লখনৰ ক্ষতিগ্ৰস্ত নোহোৱা ডবাসমূহ মালদালৈ ৰাওনা হৈছে। ইপিনে কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ বুজ লয়। দুৰ্ঘটনা সম্পৰ্কীয় তথ্যৰ বাবে ৰে'ল বিভাগে বিভিন্ন স্থানত হেল্প ডেস্ক স্থাপন কৰিছে। শিয়ালদহ ষ্টেচনৰ বাবে হেল্পলাইন নম্বৰ হৈছে - ০৩৩-২৩৫০৪৭৯৪, ০৩৩-২৩৪৩৩৩২৬। আলোৱাবাৰী ৰোড জৰুৰীকালীন নম্বৰ - ৮১৭০০-৩৪২৩৫, কিষাণগঞ্জৰ ৭৫৪২০-২৮০২০, ডালখোলাৰ ৮১৭০০-৩৪২২৮, বাৰছ'ইৰ - ৭৫৪১৮-০৬৩৫৮, ছামছিৰ জৰুৰীকালীন নম্বৰ হৈছে - ০৩৫১৩-২৬৫৬৯০।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰিয়জনক হেৰুওৱা প্ৰতিটো পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে।

আনহাতে ৰে'ল বিভাগৰ তৰফৰ পৰা দুৰ্ঘটনাত নিহতৰ নিকতাত্মীয়লৈ ১০ লাখ, গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সকললৈ আঢ়ৈ লাখ আৰু সামান্যভাৱে আহত লোকসকলক ৫০ হাজাৰ টকাৰ সাহাৰ্য প্ৰদান কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰে।

ৰে'ল দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত কাটিহাৰ-নিউজলপাইগুৰি খণ্ডৰ ৰে'ল যাতায়াত প্ৰভাৱিত হৈছে। ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ, হাওৰা-নিউ জলপাইগুৰি বন্দে ভাৰত এক্সপ্ৰেছকে ধৰি ২৪খন ৰে'লৰ যাত্ৰাপথ সলনি কৰি নিউ জলপাইগুৰি, শিলিগুড়ি, বাগডোগ্ৰা, আলুৱাবাৰী ৰে'ল শাখাৰ পথেৰে যাতায়াতৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২২ সংখ্যক ওপজা দিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সুন্দৰৰ পূজাৰীগৰাকীৰ ১৯০৩ চনত ডিব্ৰুগড়ত তামোলবাৰী চাহ বাগিচাত জন্ম হৈছিল। জন্মদিন উপলক্ষে  আজি জয়মতী নিৰ্মাণস্থলী গহপুৰৰ ভোলাগুৰিত ৰূপকোঁৱৰক স্মৰণ কৰি গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই উপলক্ষে ৰূপকোঁৱৰৰ আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। তেজপুৰতো আজি সুন্দৰৰ পূজাৰীগৰাকীৰ স্মৃতিত গীত-মাত আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ধুবুৰী জিলাতো আজি শিল্পীজনাক শ্ৰদ্ধাঞ্জলি জনাবলৈ অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ গৌৰীপুৰ, বিলাসীপাৰা আদি অঞ্চলত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে ধুবুৰীৰ অসম সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে ৰূপকোঁৱৰ দিৱস পালন কৰা হয়।

০০০০০০০

দেশৰ আন আন প্ৰান্তৰ লগতে অসমতো ইছলামধৰ্মী লোকসকলে আজি ধৰ্মীয় ৰীতি-নীতিৰে ঈদ-উজ-জোহা উদযাপন কৰিছে। ঈদ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উজ-জোহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়। ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়ায়েও ঈদ-উজ-জোহা উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জ্ঞাপন কৰি ত্যাগৰ এই উৎসৱে জনসাধাৰণৰ মাজত পাৰস্পৰিক সহানুভূতি, সদিচ্ছা আৰু কৃতজ্ঞতাৰ মনোভাৱ শক্তিশালী কৰি তুলিব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো ঈদ উপলক্ষে ইছলামধৰ্মী লোকসকলক শুভেচ্ছা জনাইছে।

ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। প্ৰতিকূল বতৰকো নেওচি পুৱা ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লয়। ৰাজ্যৰ আন আন ঠাইৰ লগতে গুৱাহাটীতো ঈদৰ উছাহ পৰিলক্ষিত হৈছে। জালুকবাৰী, মাছখোৱা, আমবাৰী, হাতীগাঁও আদিকে ধৰি কেইবাটাও স্থানত ঈদৰ নামাজ সম্পন্ন হয়। প্ৰতিকূল বতৰৰ বাবে ঈদৰ নামাজ পঢ়াত পলম হোৱাৰ লগতে ঈদগাহৰ পৰিৱৰ্তে মছজিদসমূহত নামাজ অনুষ্ঠিত কৰা হৈছে।

বৰপেটা জিলাৰ ভিন্ন প্ৰান্ততো ঈদ-উজ-জোহা উদযাপন কৰা হৈছে। বৰষুণৰ বাবে জিলাখনৰ ঈদগাহ ময়দানবোৰত সীমিত সংখ্যক লোকৰ উপস্থিতিত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ঈদ উপলক্ষে শিৱসাগৰৰ বিভিন্ন প্ৰান্তত ইছলাম ধৰ্মী লোকসকলে সমূহীয়া নামাজত অংশ লৈ শান্তি-সম্প্ৰীতি কামনা কৰে। শিৱসাগৰৰ দৰবাৰ ফিল্ড ঈদগাহ ময়দান, ৰংঘ চাৰিআলি ঈদগাহ ময়দানৰ লগতে জেঙনিকতীয়া চাৰিআলি, ষ্টেচন চাৰিআলিকে ধৰি বিভিন্ন মছজিদসমূহত নামাজ অনুষ্ঠিত হয়।

00000000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ক'হৰাত প্ৰস্তাৱিত প্ৰথমখন চৰকাৰী অৰ্কিড উদ্যানৰ নিৰ্মাণ কাৰ্য পুনৰ আৰম্ভ হৈছে। কৃষিমন্ত্ৰী অতুল বৰাই প্ৰকাশ কৰা মতে প্ৰায় ২০ বিঘা মাটিত নিৰ্মাণ কৰা এই উদ্যানখনত অসমৰ বনাঞ্চলসমূহত থকা অৰ্কিড সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে ২০২০ চনৰ ১৬ জুলাইত তদানিন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আনুষ্ঠানিকভাৱে উদ্যানখনৰ আধাৰশিলা স্থাপন কৰিছিল। কৃষি আৰু উদ্যান শস্য বিভাগৰ উদ্যোগ নিৰ্মাণ হ'বলগীয়া এই উদ্যানখনৰ বাবে প্ৰায় ১৮ কোটি টকা ধাৰ্য কৰা হৈছে। প্ৰাৰম্ভিক অৱস্থাত নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ বিসংগতিপূৰ্ণ কামৰ বাবে উদ্যানখনৰ নিৰ্মাণকাৰ্য বন্ধ কৰি দিয়া হৈছে। চলিত বৰ্ষত আন এটা প্ৰতিষ্ঠানক এই উদ্যানখনৰ নিৰ্মাণৰ দায়িত্ব প্ৰদান কৰা হৈছে।

0000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুনৰ বানৰ আশংকাই দেখা দিছে। কালিৰেপৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পুনৰ ভালেমান অঞ্চল বাঢ়নি পানীয়ে বুৰাই পেলাইছে। নগাঁও জিলাৰ কামপুৰত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। বৰষুণ অব্যাহত থাকিলে কামপুৰ এলেকা পুনৰ বানৰ কবলত পৰাৰ আশংকাই দেখা দিছে। নগাঁও জিলা প্ৰশাসনে অঞ্চলটোৰ নৈপৰীয়া ৰাইজক সজাগ হৈ থাকিবলৈ সতৰ্কতা জাৰি কৰিছে। ইপিনে, কপিলী নৈৰ বানে হোজাই জিলাৰ কেইবাখনো গাঁও বুৰাই পেলাইছে। জিলাখনৰ থেপ্লাগুৰি, যাঠিহুৰা, হাতীমৰা, নভঙাকে ধৰি কেইবাখনো গাঁও বানে বুৰাই পেলাইছে। মঙলদৈৰ বাঁহজানীত নোৱা নৈৰ পূব দিশৰ মথাউৰি ছিগি যোৱাৰ ফলত কমেও ১০ খন গাঁও প্লাৱিত হৈছে। পূব বাঁহজানী, পশ্চিম বাঁহজানী, দলৈচুবা, কমাৰপাৰাকে ধৰি গাঁওখনৰ খেতিপথাৰ বানত বুৰ যোৱাৰ লগতে বাসগৃহত পানী সোমোৱাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে। ইপিনে, গুৱাহাটী আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২০ জুনলৈ ৰাজ্যখনত বিজুলী-ঢেৰেকণিৰে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি ৰেড এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা অনুসৰি চিৰাং, বাক্সা, বৰপেটা, বঙাইগাঁও আৰু তামুলপুৰত মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হোৱাৰ আশংকা প্ৰকাশ কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰই লগতে দক্ষিণ শালমাৰা, গোৱালপাৰা, বজালী, নলবাৰী আৰু কাৰ্বি আংলং জিলাতো ধাৰাসাৰ বৰষুণ হ'ব বুলি আগলি বতৰা দিছে। বিশেষকৈ পশ্চিম কাৰ্বি আংলং, শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়াত বৰষুণৰ ফলত বান পৰিস্থিতিৰ আশংকা প্ৰকাশ কৰা হৈছে।

000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিছে। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় ভাল্লা, চোৰাংচোৱা সংস্থাৰ মুৰব্বী তপন ডেকা, সেনাবাহিনীৰ মুৰব্বী মনোজ পাণ্ডে, সেনা বাহিনীৰ তদৰ্থ মুৰব্বী উপেন্দ্ৰ দ্বিবেদী আৰু মণিপুৰৰ আৰক্ষী সঞ্চালকপ্ৰধান ৰাজীৱ সিঙৰ উপৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া, সেনা বাহিনী আৰু আন আন নিৰাপত্তা সংস্থাসমূহৰ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিছে।

oooooooooo

**সমাপ্ত**